**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 29-06-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::::**

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শিৱসাগৰ জিলা ভ্ৰমণ কৰি জিলাখনৰ কেইবাটাও গুৰুত্বপূৰ্ণ স্থান পৰিদৰ্শন কৰাৰ লগতে বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ পৰ্যালোচনা কৰে। ড° শৰ্মাই প্ৰথমে ৰংঘৰ পৰিদৰ্শন কৰি প্ৰস্তাৱিত অত্যাধুনিক প্ৰকল্পৰ প্ৰস্তুতি সম্পৰ্কে বুজ লোৱাৰ লগতে কৃত্ৰিম বানৰ উৎপত্তি আৰু সমাধান সন্দৰ্ভতো পৰ্যবেক্ষণ কৰে। ইয়াৰ পাছতে তেওঁ অলপতে ভটিয়াপাৰৰ গেছ নিৰ্গমন হোৱা অ' এন জি চিৰ ৰীগটো পৰিদৰ্শন কৰে। তেওঁ ইয়াৰ ফলত ক্ষতিগ্ৰস্ত লোকসকলৰ সৈতে মত-বিনিময় কৰে। ক্ষতিগ্ৰস্ত লোকসকলক উপযুক্ত ক্ষতিপূৰণ দিয়াৰ বাবে তেওঁ ৰাজ্য চৰকাৰৰ লগতে নিজাকৈ পদক্ষেপ গ্ৰহণৰ প্ৰতিশ্ৰুতি দিয়ে। এই ক্ষেত্ৰত অ' এন জি চিৰ সৈতে আলোচনা কৰা হ'ব বুলি তেওঁ মত প্ৰকাশ কৰে। ইয়াৰ পাছত তেওঁ হাৰমতিগড় আৰু গৌৰীসাগৰৰ চাৰিলেনযুক্ত পথ সংযোগী নৱনিৰ্মিত দলঙৰ বাবে প্ৰয়োজনীয় পথৰ সমস্যাৰ বুজ লয়। তেওঁ লগতে শিৱসাগৰ জিলাৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ডিমৌ-মৰাণ অংশত  বিমানৰ জৰুৰীকালীন অৱতৰণৰ সুবিধা – ই এল এফেৰে নিৰ্মাণ কৰা বিশেষ স্থান পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে এই আন্তঃগাঁথনি ৰাষ্ট্ৰীয় সুৰক্ষাৰ দিশত গুৰুত্বপূৰ্ণ সম্পদ বুলি মন্তব্য কৰে। বিমানৰ উৰণ আৰু অৱতৰণৰ সুবিধা থকা এনে আন দুটা ৰাষ্ট্ৰীয় ঘাইপথৰ অংশ হোজাই আৰু বাক্সাত নিৰ্মাণ কৰি থকা হৈছে।

oooo

অসম সাহিত্য সভাৰ ডিফুৰ ৰাংচিনা ভৱনত জনজাতীয় কল্যাণ গৱেষণা প্ৰতিষ্ঠানৰ সহযোগত আজি অসম সাহিত্য সভাৰ প্ৰাক্তন উপসভাপতি তথা কাৰ্বি সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি লংকাম টেৰণৰ স্মৃতি দিৱস পালন কৰা হয়। জিলা সাহিত্য সভাৰ সভাপতি দেবেন কাকতিৰ পৌৰহিত্যত অনুষ্ঠিত কাৰ্যসূচীত কাৰ্বি লামমেট আমেইৰ উপদেষ্টা তথা বিশিষ্ট লেখক জয়চিং তকবীৰ লগতে ভালেমান ব্যক্তি উপস্থিত থাকে।

oooo

ডিব্ৰুগড় প্ৰেছ ক্লাবৰ উদ্যোগত আজি জাগৃতি প্ৰেক্ষাগৃহত চীনৰ বৃহৎ নদীবান্ধ আৰু ইয়াৰ সম্ভাব্য প্ৰভাৱ অসম শীৰ্ষক এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা বিশিষ্ট ভূ-তত্ববিদ ড০ যোগেন্দ্ৰনাথ শৰ্মাই নদীবান্ধৰ বিভিন্ন প্ৰভাৱ সন্দৰ্ভত অৱগত কৰে। অনুষ্ঠানত ডিব্ৰুগড় আকাশবাণী আৰু দূৰদৰ্শন কেন্দ্ৰৰ অনুষ্ঠান মুৰববী লোহিত ডেকাৰ লগতে ভালেমান ব্যক্তি উপস্থিত থাকে।

oooo

বাক্সা জিলাৰ নাৰায়ণপুৰত আজি ইউ পি পি এল দলৰ এখন সজাগতা সভা অনুষ্ঠিত হয়। অনুষ্ঠানত বি টি আৰ প্ৰধান প্ৰমোদ বড়োৱে অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তেওঁৰ মন কী বাত অনুষ্ঠানত বি টি আৰৰ বিষয়ে উল্লেখ কৰাত আজিৰ দিনটো গৌৰৱৰ দিন বুলি উল্লেখ কৰে। অনুষ্ঠানত তেওঁ অহা বছৰৰ পৰা উত্তৰ পূৰ্বাঞ্চল ভিত্তিত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু চুলা ওস্তাদৰ নামত সাংস্কৃতিক ক্ষেত্ৰত বিশিষ্ট

ব্যক্তিক বঁটা প্ৰদান কৰা হ'ব বুলি অৱগত কৰে। অনুষ্ঠানত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মকে ধৰি ভালেমান ব্যক্তি উপস্থিত থাকে।

০০০০

সমাগত বি টি চি পৰিষদীয় সাধাৰণ নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে নিৰ্বাচনী তৎপৰতা বৃদ্ধি কৰিছে। চিৰাং জিলাৰ বিজনী বিধানসভা সমষ্টিৰ ঠুৰিবাৰী পৰিষদীয় সমষ্টিত আজিৰে পৰা বি জি আৰে নিৰ্বাচনী তৎপৰতা আৰম্ভ কৰিছে। জিলা বিজেপিয়েও পৰিষদীয় সমষ্টিটোৰ চাটিয়ানগুৰিত দলৰ নেতা-কৰ্মীৰ সৈতে এটা মত-বিনিময় কাৰ্যসূচী ৰূপায়ণ কৰে।

০০০০

ডিফু চৰকাৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সাহিত্য চ'ৰাই ৫০ বছৰত ভৰি দিয়া উপলক্ষে আজি মহাবিদ্যালয় চৌহদত দিনজোৰা কাৰ্যসূচীৰে সোণালী জয়ন্তী বৰ্ষ উদযাপন কৰা হয়। সাহিত্য চ'ৰাৰ সৈতে সংগত ৰাখি **ন-পুৰণি সতীৰ্থ সন্মিলন** শীৰ্ষক মুকলি সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড০ কামালউদ্দিন আহমেদে আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰে।

০০০০

ধেমাজি জিলাৰ আৰক্ষী প্ৰশাসনৰ লোকসকলে আজি নিজৰ নিজৰ থানা এলেকাত শ্ৰম দানেৰে স্বচ্ছতা কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে ধৰণী সেউজীয়া কৰাৰ লক্ষ্যৰে গছপুলি ৰোপণ কৰে।

যোৰহাট জিলাৰ আৰক্ষী অধীক্ষক শ্বেতাংগ মিশ্ৰৰ আহ্বান ক্ৰমে আজি জিলাখনৰ সকলো আৰক্ষী চকীত শ্ৰমদান কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াৰ লগতে আৰক্ষী চকীৰ চৌহদত গছপুলি ৰোপন কৰা হয়।

০০০০

মৰিগাঁও জিলা চৰকাৰী পেঞ্চনাৰ সংস্থাৰ দ্বিবাৰ্ষিক অধিবেশন আজি দিনজোৰা কাৰ্যসূচীৰে মৰিগাঁও চহৰৰ পেঞ্চনাৰ ভৱনত অনুষ্ঠিত হয়। পুৱা সন্থাৰ পতাকা উত্তোলন আৰু বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা এই অধিবেশনৰ সৈতে সংগতি ৰাখি দুপৰীয়া এখন মুকলি সভাও অনুষ্ঠিত হয়।

০০০০

বজালী জিলাৰ ভৱানীপুৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটো স্থানান্তৰ কৰিবলৈ লোৱাৰ প্ৰতিবাদত আজি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ভৱানীপুৰক আঞ্চলিক সমিতিৰ অধীনত বিভিন্ন দল-সংগঠনে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। বিভিন্ন দল সংগঠনৰ প্ৰতিনিধিয়ে ৰাজ্য চৰকাৰক এই কেন্দ্ৰটো স্থানান্তৰ নকৰিবলৈ আহ্বান জনায়।

০০০০

মাজুলীৰ ভোগপুৰ সত্ৰৰ উদ্যোগত আজি যোগ গুৰুকুল অসমৰ **আয়ুষ জীৱন স্বাস্থ্য গোট**ৰ দ্বাৰা সত্ৰখনত এটি বিনামূলীয়া স্বাস্থ্য শিবিৰ আৰু স্বাস্থ্য সজাগতা সভা অনুষ্ঠিত হয়। এই কাৰ্যসূচীত ভোগপুৰ সত্ৰৰ সত্ৰাধিকাৰ দত্তদেৱ দেৱগোস্বামী, স্থানীয় বিধায়ক ভূৱন গাম উপস্থিত থাকে।

০০০০

কাছাৰৰ কাটিগড়াত আজি পুৱা দুজন বাংলাদেশী নাগৰিকক আন্তঃৰাষ্ট্ৰীয় সীমা পাৰ হ'বলৈ চেষ্টা কৰি থকা অৱস্থাত আটক কৰা হয়। কাটিগড়া সীমান্তত চলাচল কৰি থকা তিনিজন সন্দেহযুক্ত বাংলাদেশী নাগৰিকৰ দুজনক স্থানীয় ৰাইজৰ তৎপৰতাত আৰক্ষীয়ে আটক কৰে যদিও এজন পলায়ন কৰিবলৈ সমৰ্থ হয়।

০০০০০

সমাপ্ত